# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 29-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::::***

অহা ২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। নিৰ্বাচন উপলক্ষে বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ৰঙিয়া, দৰঙ আৰু মৰিগাঁওত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাৰ্ঘেৰিটাৰ নগাপথাৰ ৰংগমঞ্চত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে।

একেদৰে শাসকীয় বিজেপিৰ হৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কাছাৰ জিলাৰ ওদাৰবন্দ সমষ্টিৰ শালগংগা জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

মন্ত্ৰী কেশৱ মহন্তই আজি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ লাঠিৰঘাট ৰাণীবাৰী গাঁৱত লক্ষীৰ বাজাৰ জিলা পৰিষদৰ মিত্ৰজোটৰ প্ৰাৰ্থী গৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। অসম গণ পৰিষদৰ নেতা তথা মন্ত্ৰী অতুল বৰাই আজি বোকাখাটৰ গৰিয়াজান বাগিচা, ৰঙামাটি চেউনি কমাৰগাওঁকে ধৰি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়।

ইপিনে, বিৰোধী দল কংগ্ৰেছেও ৰাজ্যৰ বিভিন্ন প্ৰান্ত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি জহিন চাহ বাগিছাত প্ৰচাৰ চলায়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে আজি শিৱসাগৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। দলটোৱে আয়োজন কাৰ সভাসমূহত মহিলাৰ অংশগ্ৰহণ অধিক বুলিও তেওঁ উল্লেখ কৰে।

কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাই আজি গহপুৰ বিধানসভা সমষ্টিৰ ৰজাবাৰী ৰংগমঞ্চত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান আৰু অসম প্ৰদেশ কংগ্ৰেছ মহিলা সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপৰি বিশ্বনাথ জিলাৰ দলীয় নেতৃবৰ্গ উপস্থিত থাকে।

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম গণ পৰিষদ দলে আজি আমবাৰীত থকা মুখ্য কাৰ্যালয়ত দলটোৰ ঘোষণা পত্ৰ মুকলি কৰে।

00000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। শিক্ষাৰ্থীসকলে পুৱা ৯ বজাৰ পৰা নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে তেওঁলোকৰ মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তেওঁলোকে মোবাইল এপৰ জৰিয়তেও মাৰ্কশ্বিটসমূহ চাব পাৰিব। www.ahsec.assam.gov.in, www.assamresult.in, www.result.shiksha, www.schools9.com, assamjobalerts.com আদিকে ধৰি মুঠ ১২টা ৱেবছাইটত শিক্ষাৰ্থীসকলে নিজৰ ৰোল, নম্বৰ আৰু ৰেজিষ্ট্ৰেচন নম্বৰৰ জৰিয়তে মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তদুপৰি এণ্ড্ৰইড মোবাইলত **উপলব্ধ** এপ ডাউনল'ড কৰি ফলাফল লাভ কৰিব পাৰিব। বিদ্যালয়ৰ শিক্ষা পৰিষদৰ দুই নম্বৰ সংমণ্ডলে প্ৰকাশ কৰা জাননী অনুসৰি উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ছপা মাৰ্কশ্বিট আৰু প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰদান কৰা হ'ব। পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক ছপা মাৰ্কশ্বিট প্ৰদান কৰা নহয়। অৱশ্যে অনুত্তীৰ্ণ হোৱা কোনো শিক্ষাৰ্থীয়ে ছপা মাৰ্কশ্বিট ল'ব বিচাৰিলে পৰিষদৰ কাৰ্যালয়ত পৃথকভাৱে আবেদন কৰিব লাগিব। কোনো পৰিক্ষাৰ্থীয়ে উত্তৰবহী পুনৰ নিৰীক্ষণৰ লগতে উত্তৰবহীৰ প্ৰতিলিপি বিচাৰিলে বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইটৰ জৰিয়তে আবেদন কৰিব পাৰিব। ফলাফল ঘোষণা কৰাৰ দুদিনৰ পাছত প'ৰ্টেল লিংক মুকলি কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৩ লাখ ২ হাজাৰ ৪২০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

00000

ৰাজ্যত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰা সকলৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। এই সংক্ৰান্তত এতিয়ালৈকে ৩৪ জন লোকক আটক কৰা হৈছে। আৰক্ষীয়ে আজি দেশ বিৰোধী মন্তব্য কৰাৰ বাবে কাছাৰৰ পৰা নাচিব আহমেদ, চিৰাঙৰ পৰা চাহিন আহমেদ মজুমদাৰ, কামৰূপৰ পৰা মস্তাক ৰহিম আলি ওৰফে চনু, লখিমপুৰৰ পৰা মহম্মদ ফুলঝাৰ হুছেইন, শোণিতপুৰৰ পৰা মহম্মদ ফুৰকান আলি আৰু দক্ষিণ শালমৰাৰ পৰা চুজাবুল ইছলামক গ্ৰেপ্তাৰ কৰিছে।

00000

হাফলঙৰ স্বায়ত্তশাসিত পৰিষদৰ চৌহদত আজি ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আৰু আন প্ৰতিনিধি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাটাও নতুন কাৰ্যালয় উদ্বোধন কৰা হয়।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে-দেলহী কেপিটেলছক জয়ৰ বাবে ২০৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। কলকাতা

নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেটৰ বিনিময়ত ২০৪ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত দেলহী কেপিটেলছ ১২ পইণ্টেৰে তালিকাৰ চতুৰ্থ স্থানত থকাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছ ৭ পইণ্টেৰে সপ্তম স্থানত আছে। সম্প্ৰতি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ১৪ পইণ্টেৰে তালিকাৰ শীৰ্ষ স্থানত আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ